* **ডাঃ রুমি নাথ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজ আপনি বিনা প্রতিদ্বন্দিতায়, সর্ব্বসন্মতভাবে অসম বিধান সভার অধ্যক্ষ পদে নির্ব্বাচিত হওয়ায়— আপনাকে আমি, বিশেষ করে সমগ্র মহিলা সমাজের পক্ষ থেকে অভিনন্দন জনাই। মহোদয়, আপনার সুদক্ষ সদন পরিচালনায় সব সদস্য যে সমান অধিকার ভোগ করবে এতে কোনো সন্দেহ নাই। কিন্তু আমাদের দেশে তথা রাজ্যে মহিলাদের কিছু বিশেষ জ্বলন্ত সমস্যা রয়েছে। সেই সমস্যাগুলি সদনে তুলে ধরতে এবং সমাধান করতে অবশ্যই আমরা, মহিলারা, একটু বিশেষ সুযোগ-সুবিধা আশা করব। আশা করি এদিকে একটু নজর দেবেন। আমি আর লম্বা চওড়া বক্তৃতা দেবনা। আপনাকে আমার আন্তরিক অভিনন্দন জানিয়ে আমার বক্তব্য শেষ করছি।

---

* **Speech not corrected**

* **শ্ৰী ৰেকিবুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালৈ আমাৰ শ্ৰদ্ধা আৰু অভিনন্দন আগবঢ়াই সকলোৰে প্ৰতি সমদৃষ্টি ৰাখিবলৈ অনুৰোধ জনালো। এইবাৰ এই বিধানসভালৈ ভালেসংখ্যক যুৱ বিধায়ক আহিছে। আমাৰ এইসকল বিধায়কে নিজৰ সমষ্টিৰ লগতে সামগ্ৰিকভাৱে বিভিন্ন সমস্যাসমূহ সদনত দাঙি ধৰাৰ যাতে সুবিধা পায় তাৰ কাৰণে আপুনি বিশেষ দৃষ্টি দিব বুলি আশা কৰিলো। আমি আপোনাৰ নেতৃত্বত আমাৰ যুৱকসকল যাতে আগুৱাই যাব পাৰে আৰু উন্নতিৰ দিশত দ্ৰুতগতিত আগবাঢ়ি যাব পাৰে তাৰ কাৰণে যেন আপুনি সহায়ৰ হাত আগবঢ়ায়। নিৰপেক্ষ দৃষ্টিৰে আপুনি সকলোৰে প্ৰতি সম অধিকাৰ প্ৰদান কৰিব বুলি আশা কৰিলো আৰু এই বিধানসভাই এক ইতিহাস ৰচনা কৰিব বুলি আশা কৰিলো।

* **শ্ৰী শ্বেখ শ্বাহ আলম ঃ** মাননীয় অধ্যক্ষ মহোদয় বিনা প্ৰতিদ্বন্দ্বিতাৰে আপুনি সন্মানীয় অধ্যক্ষ পদলৈ নিৰ্বাচিত হোৱা বাবে আপোনালৈ আমাৰ শ্ৰদ্ধা আৰু সম্বৰ্ধনা জ্ঞাপন কৰিলো। আশা ৰাখিছো আপোনাৰ অধ্যক্ষতাত আমি সকলোৱে নিৰপেক্ষভাৱে আপোনাৰ পৰা যথাযোগ্য অধিকাৰ লাভ কৰিব পাৰিম। মাননীয় সদস্য এগৰাকীয়ে বিৰোধী পক্ষত মানুহ নাই বুলি আক্ষেপ কৰিছে। তেখেতে আমাৰ লগতে এইফালে আহি বহক। আমি সুখী হ'ম। পুনৰ ধন্যবাদ জনাই ইমানতে সামৰিলো।

**শ্ৰী এতোৱা মুণ্ডা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি আজি এই অধ্যক্ষ

* Speech not corrected

পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাত আমি সন্তোষ প্ৰকাশ কৰিছো আৰু অসম চাহ মজদুৰ সংঘৰ ফালৰ পৰা সম্বৰ্ধনা আৰু অভিনন্দন জ্ঞাপন কৰিছো আৰু আশা কৰিছো আপুনি বলিষ্ঠ পদক্ষেপ লৈ সদনৰ কাৰ্য ব্যৱস্থা পৰিচালনা কৰি সকলোৰে প্ৰতি সম অধিকাৰ দিব বুলি আশা কৰিলো আৰু মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

**শ্ৰী গোপীনাথ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, ত্ৰয়োদশ বিধানসভালৈ আপুনি বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বাবে আপোনালৈ আমাৰ অভিনন্দন জ্ঞাপন কৰিলো। আশা কৰিছো আপোনাৰ নেতৃত্বত আমি সকলো বিধায়ক যাতে সমান অধিকাৰ পাও তাৰ কাৰণে অনুৰোধ জনালো।

* **শ্ৰী পিযুষ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰতিনিধিত্ব কৰি কেইবাগৰাকী যুৱ বিধায়ক বিধানসভালৈ নিৰ্বাচিত হৈ আহিছো। আজি আপোনাক বিধানসভাত বিনা প্ৰতিদ্বন্দ্বিতাৰে সন্মানীয় অধ্যক্ষৰ পদত নিৰ্বাচিত কৰাৰ কাৰণে সন্তোষ প্ৰকাশ কৰিছো। আৰু আপোনাক সম্বৰ্ধনা জনাইছো। আমি এই বিধানসভালৈ নতুনকৈ আহিছো। আমাৰ বহুতো ভুল-ত্ৰুটি হ'ব পাৰে। আমি শিকিবলৈ আহিছো। জ্যেষ্ঠ বিষয়া সকলো যাতে আমাক বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগ আগবঢ়ায় আৰু আপোনাৰ নেতৃত্বত ৰাজ্যখনৰ সৰ্বাংগীন উন্নতিৰ ক্ষেত্ৰত আমি যাতে আগবাঢ়ি যাব পাৰো

---

* **Speech not corrected**

তাৰ বাবে আপোনাৰ সহায় প্ৰাৰ্থনা কৰিলো। মই অনুসূচিত জাতিৰ ফালৰ পৰা আহিছো। অনুসূচিত জাতি-জনজাতিৰ বিভিন্ন সমস্যাসমূহৰ সমাধানত আপোনাৰ ফালৰ পৰা যাতে সঁহাৰি পাওঁ তাৰ কাৰণে আশা ৰাখি পুনৰ ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **শ্ৰী ৰাজু চাহু** ঃ মাননীয় অধ্যক্ষ মহোদয়, চাহ জনগোষ্ঠী আৰু অনুসূচিত জাতিৰ ফালৰ পৰা আমি যিসকল মাননীয় সদস্য নিৰ্বাচিত হৈ আহিছো আমাৰ ফালৰ পৰা আপোনালৈ আজি বিনা প্ৰতিদ্বন্দ্বিতাৰে অধ্যক্ষ পদত নিৰ্বাচিত হোৱাৰ কাৰণে আপোনালৈ অভিনন্দন আৰু সম্বৰ্ধনা জ্ঞাপন কৰিলো।

* **শ্ৰী মনোৰঞ্জন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি ত্ৰয়োদশ বিধানসভাত আপুনি সৰ্বসন্মতিক্ৰমে মাননীয় অধ্যক্ষৰ পদত অধিষ্ঠিত হোৱাৰ বাবে আমি সন্তোষ প্ৰকাশ কৰিছো। আপুনি মাননীয় অধ্যক্ষৰ গধুৰ দায়িত্ব লৈ আমাক সদনৰ কাম-কাজত আগুৱাই যাবলৈ নিৰপেক্ষভাৱে নেতৃত্ব প্ৰদান কৰিব বুলি আশা কৰিলো।

* **শ্ৰী বিদ্যা সিং ইংলেং** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি আজি বিনা প্ৰতিদ্বন্দ্বিতাৰে সন্মানীয় অধ্যক্ষ পদত অধিষ্ঠিত হোৱাৰ বাবে পাহাৰীয়া ৰাইজ আৰু কাৰ্বি আংলঙৰ ফালৰ পৰা আপোনালৈ আমাৰ ধন্যবাদ জ্ঞাপন কৰিলো। আমাৰ এই পাহাৰীয়া অঞ্চলত

---

* **Speech not corrected**

বহু ধৰণৰ উগ্ৰপন্থীৰ কাৰ্যকলাপ সংঘটিত হৈ থাকে। সেইবিলাক নিবাৰকৰণৰ ক্ষেত্ৰত সদনৰ বাহিৰে-ভিতৰে আপোনাৰ পৰা সহযোগ পাম বুলি আশা ৰাখিলো।

**শ্ৰী ৰাজেন বৰঠাকুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বিনা প্ৰতিদ্বন্দ্বিতাৰে বিধানসভাৰ সকলো সদস্যৰ সন্মতি সাপেক্ষে আপুনি মৰ্যদাপূৰ্ণ মাননীয় অধ্যক্ষৰ পদত নিৰ্বাচিত হোৱাৰ বাবে সন্তোষ প্ৰকাশ কৰিছো। অসমৰ জনসাধাৰণৰ কল্যাণৰ হকে সদনত যাতে আমি সকলো আলোচনা-বিলোচনা নিয়াৰিকৈ দাঙি ধৰিব পাৰো আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আমাৰ দাবী সমূহ যথাৰ্থভাৱে দৃষ্টিগোচৰ কৰিব পাৰো এই ক্ষেত্ৰত সৰ্বদলীয় নেতৃত্ব আপুনি আগবঢ়াব বুলি আশা কৰিলো।

**শ্ৰী স্বপন কৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক আমাৰ দলৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জনাইছো। আশা ৰাখিছো এই পৱিত্ৰ সদনৰ সকলো গুৰু দায়িত্বক আপুনি সুচাৰুৰূপে পালন কৰি আমাৰ গঠনমূলক কামত আমাক সহযোগিতা আগবঢ়াব। মাননীয় অধ্যক্ষ মহোদয়, মই লামডিঙৰ এনেকুৱা এটা সমষ্টিৰ পৰা জিকি আহিছো যিটো সমষ্টিৰ পৰা স্বৰ্গীয় দেৱেশ চক্ৰৱৰ্তী দেৱৰ নিচিনা অভিজ্ঞ মানুহো এই পৱিত্ৰ সদনত অধ্যক্ষ পদত কাৰ্য নিৰ্বাহ কৰিছিল। গতিকে আমি আশা ৰাখিছো আপোনাৰ পৰা নতুন বিধায়কসকলক সকলো ধৰণৰ সহায়-সহযোগিতা পাম। অধ্যক্ষ মহোদয়, মই এ আই ইউ ডি এফৰ ফালৰ পৰা

সম্বৰ্ধনা জ্ঞাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** অসম বিধানসভাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী, অন্যান্য মন্ত্ৰীসকল আৰু মাননীয় সদস্য-সদস্যাসকল, সদনত উপস্থিত থকা সকলোকে মই ধন্যবাদ যাঁচিছো। আপোনালোকে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে বিধানসভাৰ প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ কাৰণে। মাননীয় মুখ্যমন্ত্ৰী, তৰুণ গগৈ ডাঙৰীয়াক কৃতজ্ঞতা জ্ঞাপন কৰিছো। মই এই পৰিত্ৰ সদনৰ মৰ্যদা ৰক্ষা কৰাত অকণো কৃপনালী নকৰে। যদি মাননীয় সদস্যসকলে ৰুল এণ্ড প্ৰচিডিয়োৰ মতে বিষয়-বস্তুবোৰ উত্থাপন কৰে তেনেহ'লে সংঘাত হ'ব লগা একো নাই। এই পৰিত্ৰ সদনত ন্যায় আৰু নিৰপেক্ষতা দিয়াত মই কোনো কৃপণালি নকৰো। অৱশেষত আকৌ শুভেচ্ছা জনাইছো।

# MOTION FOR ELECTION OF MEMBERS TO THE LEGISLATURE COMMITTEE

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্যসূচী নং ৫। মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী মহোদয়ে অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ২৪২ নম্বৰ নিয়ম অনুসৰি 'চৰকাৰী হিচাব সমূহৰ সমিতি' গঠন কৰিবৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ পৰামৰ্শ দিয়া হ'ল।

**Sri Nilamani Sen Deka (Minister) :** Sir, I beg to move that this Assembly do elect thirteen Members of the Assembly in accordance with the provision of the Rule 242 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to constitute the Committee on Public Accounts which will function from the date of its formation for a term not exceeding thirty months.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্যসূচী নং ৬। মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ২৬০খ (১) নং নিয়ম অনুসৰি 'ৰাজহুৱা উদ্যোগসমূহৰ সমিতি' গঠন কৰিবৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ পৰামৰ্শ দিয়া হ'ল।

**Sri Nilamani Sen Deka (Minister) :** Sir, I beg to move that this Assembly do elect thirteen Members of the Assembly in accordance with the Provision of the Rule 260B (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to constitute the 'Public Undertakings Committee' which will function from the date of its formation for a term not exceeding thirty months.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্যসূচী নং ৭। মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ২৪৪ নং নিয়ম অনুসৰি প্ৰাক কলন সমিতি গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হ'ল।

**Sri Nilamani Sen Deka (Minister) :** Sir, I beg to move that : 'This Assembly do elect thirteen members of the Assembly in accordance with the provision of Rule 244 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to Consttute the Committee on Estimates which will function from the date of its formation for a term not exceeding thirty months.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্যসূচী নং ৮। 'অসম বিধানসভাৰ প্ৰক্ৰিয়া

আৰু কাৰ্য পৰিচালনা নিয়মাৱলীৰ ২৬০ (ঘ) (১) নং নিয়ম অনুসৰি এই সদনে 'অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসকলৰ কল্যাণ সমিতি' গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হ'ল।

**Sri Nilamani Sen Deka (Minister) :** Sir, I beg to move that : 'In pursuance of Rule 260D (1) of the Rules of Procedure and conduct of Business in Assam Legislative Assembly. This Assembly do elect thirteen members of the Assembly in accordance with the Principle of proportional reprentation by means of the single transferable vote to constitute the 'Committee on the Welfare of Scheduled Castes & Scheduled Tribes', which will function from the date of constitution for a term not exceeding thirty months.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্যসূচী নং ৯। অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ২৬০ছ (১) নং নিয়ম অনুসৰি অন্যান্য পিছপৰা শ্ৰেণীসমূহ আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ সমিতি গঠন কৰিবলৈ প্ৰস্তাৱ উত্থাপন কৰিবলৈ পৰামৰ্শ দিয়া হ'ল।

**Sri Nilamani Sen Deka (Minister) :** Sir, I beg to move that 'In pursuance of Rule 260G (1) of the Rules

of Procedure and conduct of Business in Assam Legislative Assembly, this Assembly do elect thirteen members of the Assembly in accordance with the Principle of proportional representation by means of the single transferable vote to constitute the 'Committee on the Welfare of other Backward Classes & More Other Backward Classes', which will function from the date of constitution for a term not exceeding thirty months.

## OBITUARY REFERENCES

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্যসূচী নং ১০, মৃত্যু প্ৰসংগ। দ্বাদশ অসম বিধানসভাৰ সপ্তদশ অধিৱেশন সমাপ্তিৰ পৰা আজি ৬-০৬-২০১১ তাৰিখে ত্ৰয়োদশ অসম বিধানসভাৰ প্ৰথম অধিৱেশন অনুষ্ঠিত হোৱালৈকে এই কালছোৱাৰ ভিতৰত ৰাজ্যৰ এগৰাকী প্ৰাক্তন মন্ত্ৰীকে ধৰি এই সদনৰ প্ৰাক্তন সদস্য তথা ৰাজ্য আৰু দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা ভালেকেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে। অতি দুখ আৰু ব্যথিত হৃদয়েৰে আজি অসম বিধানসভাৰ পৱিত্ৰ মজিয়াত ইয়াত নাম উল্লেখিত ব্যক্তিসকলৰ বিয়োগত শোকপ্ৰকাশ কৰিবলৈ লোৱা হৈছে।

১। **দেৱকুমাৰ বৰা ঃ** প্ৰাক্তন মন্ত্ৰী, প্ৰবীণ ছাত্ৰ নেতা, দৈনিক জনমভূমি

কাকতৰ প্ৰাক্তন সম্পাদক তথা মুখ্যমন্ত্ৰীৰ প্ৰাক্তন প্ৰেছ উপদেষ্টা দেৱ কুমাৰ বৰাৰ যোৱা ইং ৩১ মাৰ্চ ২০১১ তাৰিখে এক শোকাৱহ পথ দুৰ্ঘটনাত অকাল বিয়োগ ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৫৭ বছৰ।

যোৰহাটত জন্মগ্ৰহণ কৰা বৰা ডাঙৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বাণিজ্যৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেখেত গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক আছিল। বৰা ডাঙৰীয়াই ১৯৮৫ চনত যোৰহাট জিলাৰ তিতাবৰ বিধানসভা সমষ্টিৰ পৰা অসম গণ পৰিষদ দলৰ প্ৰাৰ্থী ৰূপে অসম বিধানসভালৈ নিৰ্বাচিত হৈ ৰাজ্য চৰকাৰৰ মন্ত্ৰী সভাত কৃষি আৰু জলসিঞ্চন বিভাগৰ মন্ত্ৰী ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তেখেতে এসময়ত 'দৈনিক জনমভূমি' কাকতৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল। ২০০১ চনত কংগ্ৰেছ দলত যোগদান কৰা প্ৰয়াত বৰা ডাঙৰীয়াই মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা আৰু পৰিকল্পনা বোৰ্ডৰ উপাধ্যক্ষ পদো অলংকৃত কৰিছিল।

এইগৰাকী প্ৰাক্তন মন্ত্ৰী, প্ৰবীণ ছাত্ৰনেতা তথা মুখ্য মন্ত্ৰীৰ প্ৰাক্তন প্ৰেছ উপদেষ্টাৰ মৃত্যুত ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল।

২। **ৰবীন শইকীয়া** ঃ প্ৰাক্তন বিধায়ক, অসম গণ পৰিষদ দলৰ জ্যেষ্ঠ নেতা ৰবীন শইকীয়াৰ যোৱা ইং ১৯-০২-২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৫৯ বছৰ।

১৯৫২ চনৰ ১ ফেব্ৰুৱাৰী তাৰিখে চতিয়াৰ কছাৰী গাঁৱত

জন্মগ্ৰহণ কৰা শইকীয়া ডাঙৰীয়াই অসম আন্দোলনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকাৰ লগতে চতিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি আৰু দৰং জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ১৯৮৫ চনত তেখেতে চতিয়া বিধানসভা সমষ্টিৰ পৰা অসম গণ পৰিষদ দলৰ প্ৰাৰ্থী ৰূপে অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। তেখেত এগৰাকী সুদক্ষ অভিনেতাৰ লগতে ভাল কবিতা আবৃত্তিকাৰো আছিল।

এইগৰাকী প্ৰাক্তন বিধায়ক, অগপ দলৰ জ্যেষ্ঠ নেতা তথা নিষ্ঠাবান সমাজকৰ্মীৰ মৃত্যু ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি।

৩। **দেৱানন্দ বৰা ঃ** প্ৰাক্তন বিধায়ক, নিষ্ঠাবান সমাজকৰ্মী দেৱানন্দ বৰাৰ যোৱা ইং ২৪ ফেব্ৰুৱাৰী, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে।

যোৰহাটত জন্মগ্ৰহণ কৰা প্ৰয়াত বৰা ডাঙৰীয়াই ১৯৬০ চনত ডিব্ৰুগড়ত হোৱা শ্ৰমিক আন্দোলনত সক্ৰিয় নেতৃত্ব বহন কৰিছিল। ১৯৫৮ চনত তেখেতে প্ৰজা ছ'চিয়েলিষ্ট পাৰ্টিৰ যুটীয়া সম্পাদক ৰূপে দায়ত্বি পালন কৰিছিল আৰু একে সময়তে ৰাজ্যৰ ছ'চিয়েলিষ্ট যুৱ ফৰামৰ উপ-সভাপতিৰ দায়িত্বও বহন কৰিছিল। তেখেতে ১৯৬৪ চনত যোৰহাট চাহ মজদুৰ সংঘৰ সম্পাদক হিচাপেও নিৰ্বাচিত হৈছিল। বৰা ডাঙৰীয়াই ১৯৭৮ চনত টীয়ক বিধানসভা সমষ্টিৰ পৰা জনতা দলৰ প্ৰাৰ্থীৰূপে অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। তেখেতে

বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল।

এইগৰাকী প্ৰাক্তন বিধায়ক তথা নিষ্ঠাৱান সমাজকৰ্মীৰ মৃত্যুত ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল।

৪। **নৰেন্দ্ৰ নাথ দত্ত ঃ** প্ৰাক্তন বিধায়ক তথা বিশিষ্ট বাওঁপন্থী নেতা নৰেন্দ্ৰ নাথ দত্তৰ যোৱা ইং ২৮ মাৰ্চ ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে।

১৯২৬ চনত নলবাৰীত জন্মগ্ৰহণ কৰা দত্ত ডাঙৰীয়াই ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে যোগদান কৰি তিনিবাৰকৈ গ্ৰেপ্তাৰ বৰণ হ'বলগীয়া হৈছিল। তেখেতে ১৯৫৬ চনত চি পি আই দলত যোগদান কৰি ১৯৭৮ চনত নলবাৰী বিধানসভা সমষ্টিৰ চি পি আই (এম) দলৰ প্ৰাৰ্থী ৰূপে অসম বিধানসভালৈ নিৰ্বাচিত হয়। নলবাৰী নাট্য মন্দিৰৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকা দত্ত ডাঙৰীয়াই 'জোৱাৰ' আৰু 'সোণৰ হাৰ হেৰায়' নামৰ দুখন নাটকো ৰচনা কৰিছিল। তেখেত এগৰাকী গীতিকাৰ আৰু গায়কো আছিল। নলবাৰী সমাজ জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকা বিশিষ্ট নেতাগৰাকীয়ে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানলৈও সক্ৰিয় অৱদান আগবঢ়াইছিল।

এইগৰাকী প্ৰাক্তন বিধায়ক তথা বিশিষ্ট বাওঁপন্থী নেতাৰ মৃত্যুত ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল।

৫। **ভৱেন্দ্ৰ কুমাৰ শইকীয়া ঃ** প্ৰাক্তন বিধায়ক, বিশিষ্ট মুক্তিযোদ্ধা, প্ৰবীণ

সমাজবাদী নেতা, ভৰেন্দ্ৰ কুমাৰ শইকীয়াৰ যোৱা ১৪ এপ্ৰিল ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯০ বছৰ। ১৯২১ চনৰ ২৬ নৱেম্বৰত নগাঁৱত জন্মগ্ৰহণ কৰা প্ৰয়াত শইকীয়া ডাঙৰীয়াই ১৯৪২ চনৰ দেশৰ স্বাধীনতা আন্দোলনত যোগদান কৰি কাৰাবাস খাটিছিল। ১৯৪৪ চনত কংগ্ৰেছ ছ'চিয়েলিষ্ট দলত যোগদান কৰি নগাঁও জিলা কমিটীৰ সম্পাদকহিচাপে দায়িত্ব পালন কৰিছিল। পৰৱৰ্তী সময়ত তেখেতে প্ৰজা ছ'চিয়েলিষ্ট দল গঠন কৰি পুনৰ নগাঁও জিলা সমিতিৰ সম্পাদক নিৰ্বাচিত হয়। শইকীয়া ডাঙৰীয়াই ১৯৬৮ চনত গঠিত জন গণতান্ত্ৰিক দলৰ অসম ৰাজ্যৰ অন্যতম উপ-সভাপতি ৰূপে নিৰ্বাচিত হয়। ১৯৭২ চনত কেন্দ্ৰীয়চৰকাৰৰ পৰা তেখেতে স্বাধীনতা যুঁজাৰুৰ স্বীকৃতি স্বৰূপে তাম্ৰপত্ৰ লাভ কৰে। ১৯৭৭ চনত গঠিত জনতা কৃষক সভাৰ শইকীয়া ডাঙৰীয়া প্ৰতিষ্ঠাপক সভাপতি আছিল। তেখেতে ১৯৭৮ চনত চামগুৰি বিধানসভা সমষ্টিৰ পৰা জনতা পাৰ্টিৰ প্ৰাৰ্থী ৰূপে অসম বিধানসভালৈ নিৰ্বাচিত হয়। তেখেত বহুতো সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল।

এইগৰাকী বিশিষ্ট মুক্তিযোদ্ধা, প্ৰবীণ সমাজবাদী নেতা তথা প্ৰাক্তন বিধায়কৰ মৃত্যুত ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল।

৬। **বৈকুণ্ঠ নাথ দাস ঃ** প্ৰবীণ কংগ্ৰেছী নেতা তথা প্ৰাক্তন বিধায়ক বৈকুণ্ঠ নাথ দাসৰ যোৱা ২৯ এপ্ৰিল ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি

ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৮ বছৰ।

নলবাৰী জিলাৰ ধমধমাৰ ওচৰৰ গোৰালবিলত ১৯২৩ চনত জন্মগ্ৰহণ কৰা বৈকুণ্ঠ নাথ দাসে কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে তিনিবাৰকৈ অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। ১৯৫২ চনত পাটাছাৰকুছি সমষ্টিৰ পৰা নিৰ্বাচিত হোৱাৰ পিছত ১৯৫৭ চনত ৰঙিয়া সমষ্টিৰ পৰা আৰু ১৯৭৮ চনত বৰমা সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। বিভিন্ন শিক্ষানুষ্ঠান গঢ় দিয়াত ওতঃপ্ৰোতভাৱে জড়িত প্ৰয়াত দাস ডাঙৰীয়াই নলবাৰী জিলা কংগ্ৰেছৰ সভাপতি হিচাপেও কেইবছৰমান কাৰ্যনিৰ্বাহ কৰিছিল।

এইগৰাকী বিশিষ্ট ৰাজনীতিবিদৰ মৃত্যুত ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল।

৭। **হাছানুদ্দিন আহমেদ ঃ** প্ৰাক্তন বিধায়ক, প্ৰবীণ কংগ্ৰেছ নেতা তথা সমাজকৰ্মী হাছানুদ্দিন আহমেদৰ যোৱা ইং ৭ মে', ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত দেখেতৰ বয়স আছিল ৭৮ বছৰ।

১৯৩৩ চনত জন্মগ্ৰহণ কৰা আহমেদ ডাঙৰীয়াই ছাত্ৰাৱস্থাৰ পৰাই ৰাজনীতিৰ সৈতে জড়িত হৈ কংগ্ৰেছ দলৰ বিভিন্ন পদবীত অধিষ্ঠিত হৈছিল। তেখেতে প্ৰয়াত ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদৰ সান্নিধ্য লাভ কৰি স্বাধীনতা সংগ্ৰামত জড়িত হৈ পৰাৰ লগতে কাৰাবাসো খাটিব লগা হৈছিল। ১৯৮৩ চনত

তেখেতে কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে গোৱালপাৰা পশ্চিম বিধানসভা সমষ্টিৰ পৰা অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। প্ৰয়াত আদমেদডাঙৰীয়াই বিভিন্ন সামাজিক অনুষ্ঠানৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত আছিল।

এইগৰাকী প্ৰাক্তন বিধায়ক তথা সমাজ সেৱকৰ মৃত্যুত ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল।

৮। **নিজামুদ্দিন খান ঃ** প্ৰাক্তন বিধায়ক, অসম ৰাজ্যিক কৃষক সভাৰ সভাপতি নিজামুদ্দিন খানৰ যোৱা ইং ১৪ মে' ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬২ বছৰ।

১৯৪৯ চনত বৰপেটা জিলাৰ কয়াকুছিত জন্মগ্ৰহণ কৰা প্ৰয়াত খান ডাঙৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ১৯৮৩ চনত চি পি এম দলত যোগদান কৰি ১৯৯১ আৰু ১৯৯৬ চনত সৰুক্ষেত্ৰী সমষ্টিৰ পৰা দুবাৰকৈ অসম বিধানসভালৈ নিৰ্বাচিত হয়। তেখেতে বিভিন্ন সামাজিক অনুষ্ঠান আৰু প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল।

এইগৰাকী প্ৰাক্তন বিধায়ক তথা সমাজ সেৱকৰ মৃত্যুত ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল।

৯। **জনেন্দ্ৰ বসুমতাৰী ঃ** চিডলী বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা নিষ্ঠাবান সমাজকৰ্মী জনেন্দ্ৰ বসুমতাৰীৰ যোৱা ইং ২১ মে'

২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭২ বছৰ।

১৯৩৯ চনত জন্ম গ্ৰহণ কৰা প্ৰয়াত বসুমতাৰী ডাঙৰীয়াই ১৯৮৫ চনত চিডলি সমষ্টিৰ পৰা পি টি চি এ দলৰ প্ৰাৰ্থী ৰূপে অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। শিক্ষকতাৰে কৰ্মজীৱনৰ পাতনি মেলা বসুমতাৰী ডাঙৰীয়াই পৰৱৰ্তী সময়ত কোকৰাঝাৰ মহকুমা পৰিষদৰ কাউন্সিলৰ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। তেখেতে ট্ৰাইবেল ডেভেলপমেণ্ট ব'ৰ্ডৰ সভাপতি পদতো অধিষ্ঠিত হৈছিল।

এইগৰাকী প্ৰাক্তন বিধায়ক তথা নিষ্ঠাবান সমাজকৰ্মীৰ মৃত্যুত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

১০। **দৰ্জী খাণ্ডু** ঃ অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী দৰ্জী খাণ্ডু যোৱা ইং ৩০ এপ্ৰিল, ২০১১ তাৰিখে এক শোকাৱহ হেলিকপ্টাৰ দুৰ্ঘটনাত পতিত হৈ সন্ধানহীন হৈ থকাৰ পাছত ৫ মে' ২০১১ তাৰিখে মৃত্যু হোৱা বুলি ঘোষণা কৰা হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৫৬ বছৰ।

অৰুণাচল প্ৰদেশৰ জ্ঞায়াং খাৰ গাঁৱত১৯৫৫ চনত জন্ম গ্ৰহণ কৰা প্ৰয়াত খাণ্ডু ডাঙৰীয়াই ভাৰতীয় সেনা বাহিনীত চোৰাংচোৱা হিচাপে কৰ্ম জীৱন আৰম্ভ কৰি সুদীৰ্ঘ সাত বছৰ ধৰি সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰাৰ বাবে 'মেধাৱী চোৰাংচোৱা' হিচাপে তেখেতলৈ ভাৰত চৰকাৰৰ পৰা সোণৰ পদক আগবঢ়োৱা হৈছিল। ১৯৯০

চনত থিংবু-মুক্ত সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে অৰুণাচল বিধানসভালৈ নিৰ্বাচিত হৈছিল আৰু একে সমষ্টিৰ পৰা ১৯৯৫ চনত দ্বিতীয়বাৰৰ বাবেও নিৰ্বাচিত হৈ সমবায় বিভাগৰ ৰাজ্যিক মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল। ১৯৯৬ চনত তেখেতে কেবিনেট মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু ২০০৭ চনত অৰুণাচলৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল। ২০০৯ চনত পুনৰবাৰ একে সমষ্টিৰ পৰা বিধানসভালৈ নিৰ্বাচিত হয় আৰু পুনৰবাৰ অৰুণাচলৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। তেখেত মৃত্যুৰ সময়লৈকে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী হৈ আছিল।

এইগৰাকী বিশিষ্ট ৰাজনীতিবিদ, প্ৰাক্তন মুখ্যমন্ত্ৰী তথা সমাজ সেৱকৰ মৃত্যুত দেশৰ লগতে অৰুণাচল প্ৰদেশৰো ৰাজনৈতিক আৰু সামাজিক দিশত এক অভাৱনীয় শূন্যতাৰ সৃষ্টি হ'ল।

**১১। গেব্ৰিয়েল এল পি ঃ** বিশিষ্ট শিল্পী, নাট্যকাৰ, পৰিচালক, প্ৰযোজক, অভিনেতাগেব্ৰিয়েল এল পিৰ যোৱা ইংৰাজী ৯ ফেব্ৰুৱাৰী ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে।

গেব্ৰিয়েল ডাঙৰীয়াই মৰাণ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত খুমটাই চাহ বাগিচাত চাকৰি কৰিছিল। তেখেতে 'পুৰণি বন্ধু', 'হামদেৰ সংসাৰ', 'টুচু পৰব', 'মৃত্যু' আদি জনপ্ৰিয় টেলি নাট ৰচনা, প্ৰযোজনা আৰু পৰিচালনা কৰিছিল। তেখেতে 'ফুল বাগানেৰ ফুলমতী', 'বুধুৱা কাকা' আৰু 'টুটুল চুড়ী' নামৰ তিনিখন কথা ছবিও নিৰ্মাণ কৰিছিল।

তেখেতৰ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ যোগে সম্প্ৰচাৰিত অনাতাৰ নাট 'আচল সম্পত্তি', 'সুৰুজ ডুবে গেল', 'ৰতন চৰদাৰেৰ স্বপন', 'টিপ চহী', 'শুভ বৰদিন', 'এক ৰাতেৰ কাহিনী', 'বজ্ৰপাত' আদিৰ জনপ্ৰিয়তা আজিও অব্যাহত আছে। এইগৰাকী বিশিষ্ট শিল্পী তথা বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তিৰ মৃত্যুত ৰাজ্যখনৰ সাংস্কৃতিক জগতত এক অপূৰণীয় ক্ষতি হ'ল।

১২। **পৱন গোহাঁই ঃ** সুদক্ষ ফুটবল খেলুৱৈ তথা ক্ৰীড়া সংগঠক পৱন গোহাঁইৰ যোৱা ইংৰাজী ১৩ ফেব্ৰুৱাৰী, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮২ বছৰ।

১৯২৯ চনত শিৱসাগৰত জন্মগ্ৰহণ কৰা গোহাঁই ডাঙৰীয়াই ছাত্ৰাৱস্থাৰ পৰাই খেল-ধেমালিত দেখুওৱা বিশেষ পাৰদৰ্শিতাৰ বাবে ক্ৰীড়াবিদসকলৰ দৃষ্টি আকৰ্ষণ কৰি অতি কম সময়ৰ ভিতৰতেই শিৱসাগৰ জিলাক প্ৰতিনিধিত্বৰে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত খেলাৰ সুযোগ লাভ কৰিছিল। 'চাইনিজ ৱাল' নামেৰে খ্যাত গোহাঁই ডাঙৰীয়াই 'সন্তোষ ট্ৰফী' ফুটবল প্ৰতিযোগিতাত অসমক আঠবাৰকৈ প্ৰতিনিধিত্ব কৰিছিল। তদুপৰি ১৯৫৫ চনত কলকাতাত অনুষ্ঠিত আই এফ এ শ্বিল্ড প্ৰতিযোগিতাত শিৱসাগৰৰ এমেচাৰ দলৰ হৈ খেলি তেখেতে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰিছিল। গোহাঁই ডাঙৰীয়াই আঠ বছৰ কাল অসম ফুটবল সন্থাৰ উপ-সভাপতিৰ দায়িত্বও পালন কৰিছিল। গোহাঁই ডাঙৰীয়াই ক্ৰীড়া জগতৰ উপৰিও বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি সেৱা আগবঢ়াইছিল।

এইগৰাকী সুদক্ষ ফুটবলাৰ তথা ক্ৰীড়া সংগঠকৰ মৃত্যুত ৰাজ্যখনৰ ক্ৰীড়া জগতৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল।

১৩। **ডিম্বেশ্বৰ দয়াল শৰ্মা ঃ** বিশিষ্ট কথাশিল্পী, সাহিত্যিক, শিক্ষাবিদ তথা সমাজসেৱী ডিম্বেশ্বৰ দয়াল শৰ্মাৰ যোৱা ইং ২৬ ফেব্ৰুৱাৰী, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৬ বছৰ।

১৯২৫ চনত যোৰহাটত জন্মগ্ৰহণ কৰা প্ৰয়াত শৰ্মা ডাঙৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ভাষা, সাহিত্যৰ ক্ষেত্ৰখনিত অপৰিসীম অৱদান আগবঢ়োৱা শৰ্মা ডাঙৰীয়াই প্ৰায় কুৰিখনৰো অধিক গ্ৰন্থ ৰচনা কৰিছিল। সভা সমিতিত সু-বক্তা হিচাপে পৰিচিত শৰ্মা ডাঙৰীয়াৰ ৰামায়ণ, মহাভাৰতৰ কাহিনীৰ ব্যাখ্যা, যোৰহাটৰ শিক্ষা-সাহিত্য সংস্কৃতিৰ ইতিহাস কণ্ঠস্থ থকাৰ বাবেও সকলোৱে তেখেতক জীৱন্ত বুৰঞ্জী বুলিও অভিহিত কৰিছিল। তেখেতে ৰঙা পুলিচ আদিকে ধৰি কেইবাখনো কথা ছবি আৰু যোৰহাট থিয়েটাৰৰ বিভন্ন নাটকতো অভিনয়ৰ স্বাক্ষৰ ৰাখি থৈ গৈছে। শৰ্মা ডাঙৰীয়াক ৰাজ্য চৰকাৰে ১৯৯২ চনত সাহিত্য পেন্সন প্ৰদান কৰে। তেখেতে অসম সাহিত্য সভাৰ তিনি বছৰকাল সম্পাদক ৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল।

এইগৰাকী বিশিষ্ট কথা শিল্পী, শিক্ষাবিদ তথা সাহিত্যিকৰ মৃত্যুত ৰাজ্যখনে এক বৰেণ্য ব্যক্তিক হেৰুৱালে।

১৪। **আনন্দ মোহন ভাগৱতী ঃ** বিশিষ্ট সত্ৰীয়া শিল্পী, সত্ৰীয়া সংস্কৃতিৰ গৱেষক, অভিনেতা, নৃত্য পৰিচালক, সাংস্কৃতিক সংগঠক তথা অসম সাংস্কৃতিক সঞ্চালকালয়ৰ প্ৰাক্তন সঞ্চালক আনন্দ মোহন ভাগৱতীৰ যোৱা ইং ২৬ মাৰ্চ ২০১১ তাৰিখে দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮০ বছৰ।

১৯৩১ চনত যোৰহাট জিলাৰ তিতাবৰত জন্মগ্ৰহণ কৰা ভাগৱতী ডাঙৰীয়াই সত্ৰীয়া নৃত্যক সত্ৰৰ মজিয়াৰ পৰা মঞ্চলৈ আনে। তেখেতে পঞ্চাশৰ দশকৰ মাজ ভাগত প্ৰথমবাৰৰ বাবে অসমীয়া মহিলা নৃত্যশিল্পীক মঞ্চলৈ আনিছিল। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰা ভাগৱতী ডাঙৰীয়াই অসমৰ নাট্য আৰু চলচ্চিত্ৰ জগতলৈও বিশেষ অৱদান আগবঢ়াই থৈ গৈছে। ভাগৱতী ডাঙৰীয়াই প্ৰতিধ্বনি ছবিত নৃত্য পৰিচালকৰূপে আত্মপ্ৰকাশ কৰি পৰৱৰ্তীসময়ত বহুকেইখন অসমীয়া ছবিত নৃত্য পৰিচালনাৰ লগতে অভিনয়ো কৰিছিল। তেখেতে ভাটখাণ্ডে সংগীত বিদ্যাপীঠৰ অতিথি অধ্যাপক হিচাপেও সেৱা আগবঢ়াইছিল।

এইগৰাকী বিশিষ্ট সত্ৰীয়া সংস্কৃতিৰ সাধকৰ বিয়োগত ৰাজ্যখনৰ সাংস্কৃতিক জগতখনৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল।

১৫। **মিতালী চৌধুৰী ঃ** এক সুকীয়া কণ্ঠৰ অধিকাৰী মিতালী চৌধুৰীৰ যোৱা ২৫ মাৰ্চ, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৫১ বছৰ।

প্ৰয়াত মিতালী চৌধুৰীয়ে শৈশৱৰে পৰা নৃত্যৰ লগতে সংগীতৰ চৰ্চা কৰিছিল। মাত্ৰ ১২ বছৰ বয়সতে 'অনুতাপ' নামৰ অসমীয়া কথা ছবিখনত কণ্ঠদান কৰি তেখেতে সংগীত যাত্ৰাৰ শুভাৰম্ভ কৰিছিল। কটন আৰু সন্দিকৈ মহাবিদ্যালয়ৰ পৰা কলেজীয়া শিক্ষা গ্ৰহণ কৰা প্ৰয়াত চৌধুৰীয়ে ধ্ৰুপদী সংগীতত স্নাতকোত্তৰ ডিগ্ৰীও লাভ কৰিছিল। তেখেতে প্ৰায় ৩০ খন অসমীয়া ছবিত কণ্ঠদান কৰি গৈছে। টেলিভিছনৰ মেগা ছিৰিয়েল ৰামায়ণ আৰু মহাভাৰতৰ শীৰ্ষ গীততো তেখেতে কণ্ঠদান কৰিছিল। অসমীয়া, হিন্দী ভাষাৰ বাহিৰেও মাৰাঠী, পাঞ্জাবী, ভোজপুৰী, বাংলা আদি বিভিন্ন ভাষাত গান গাই সংগীত জগতত এক সুকীয়া স্থান দখল কৰিবলৈ তেখেতে সক্ষম হৈছিল।

এইগৰাকী বিশিষ্ট কণ্ঠশিল্পীৰ মৃত্যুত ৰাজ্য তথা ভাৰতবৰ্ষৰ সংগীত জগতৰ এক অপূৰণীয় ক্ষতি হ'ল।

১৬। **বুদ্ধীন্দ্ৰ নাথ হাজৰিকা** ঃ বৰ্ষীয়ান সাংবাদিক বুদ্ধীন্দ্ৰ নাথ হাজৰিকাৰ যোৱা ২৫ মাৰ্চ, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭১ বছৰ।

সাংবাদিকতাত সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা প্ৰয়াত হাজৰিকাৰ ১৯৪০ চনত বিশ্বনাথৰ লেহু গাঁৱত জন্ম হৈছিল। একনিষ্ঠ সাংবাদিকতাৰে সমাজ সেৱাত ব্ৰতী হৈ অসমত মফস্বলীয় সাংবাদিকতাৰ উত্তৰণ ঘটোৱা হাজৰিকাই ১৯৬০ চনত 'নতুন অসমীয়া' নামৰ কাকতৰ লগত জড়িত হৈ পৰৱৰ্তী

সময়ত 'দৈনিক অসম', 'দি আছাম ট্ৰিবিউন', 'দৈনিক জন্মভূমি', 'আজিৰ অসম', 'দি ছেন্টিনেল', 'নতুন দৈনিক' আৰু 'আমাৰ অসম' কাকতত বিশ্বনাথ চাৰিআলিৰ পৰা অবিৰতভাৱে সংবাদ সেৱা আগবঢ়াইছিল। তেখেতে 'সদৌ অসম সাংবাদিক সন্থা আৰু মিডিয়া ট্ৰাষ্ট' অসমৰ জৰিয়তে অসমৰ সাংবাদিকসকলৰ কল্যাণ সাধনতো আত্মনিয়োগ কৰিছিল।

এইগৰাকী বিশিষ্ট সাংবাদিক তথা সৰ্বৰহী সমাজ সেৱকৰ মৃত্যুত আমাৰ ৰাজ্যখনৰ এক অপূৰণীয় ক্ষতি হ'ল।

১৭। **ভৃগুমণি কাগয়ুং** ঃ বিশিষ্ট সাহিত্যিক তথা গৱেষক ভৃগুমণি কাগয়ুঙৰ যোৱা ২৭ মাৰ্চ, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৭ বছৰ।

১৯৩৪ চনত শিৱসাগৰৰ দিখৌমুখৰ আলিমূৰ মিচিং গাঁৱতজন্ম গ্ৰহণ কৰা প্ৰয়াত কাগয়ুং ডাঙৰীয়াই তেখেতৰ অনৱদ্য ৰচনাৱলীৰ দ্বাৰা অসমীয়া সাহিত্যৰ ভৰাল চহকী কৰাৰ লগতে মিচিং ভাষা সংস্কৃতিকো আগবঢ়াই নিছিল। 'অনাহুত' আৰু 'বন-বননিৰ জুই' নামৰ পুথি দুখনৰ বাবে তেখেতে ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ লাভ কৰিছিল। প্ৰয়াত কাগয়ুং ডাঙৰীয়াই প্ৰাপ্তবয়স্ক শিক্ষা বিভাগৰ মুৰব্বী পদতো কাৰ্যনিৰ্বাহ কৰিছিল।

এইগৰাকী বিশিষ্ট সাহিত্যিক তথা গৱেষকৰ মৃত্যুত ৰাজ্যখনৰ সাহিত্যৰ ক্ষেত্ৰখনত এক গভীৰ শূন্যতাৰ সৃষ্টি হ'ল।

১৮। **মিহিৰ বৰদলৈ** ঃ বিশিষ্ট কণ্ঠশিল্পী মিহিৰ বৰদলৈৰ যোৱা ইং ৫

এপ্ৰিল, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৬ বছৰ।

১৯৩৫ চনত গুৱাহাটীত জন্মগ্ৰহণ কৰা বৰদলৈ ডাঙৰীয়াই স্কুলীয়া দিনৰে পৰা সংগীত সাধনাত ব্ৰতী হৈ 'চাকনৈয়া', 'বিভ্ৰাট', 'কাজিৰঙাৰ কাহিনী', 'শ্ৰীশ্ৰী মা-কামাখ্যা' আদি ছবিত কণ্ঠদান কৰিছিল। ১৯৫৫ চনত বৰদলৈ ডাঙৰীয়াই গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ জনপ্ৰিয় অনুষ্ঠান গীতিমালিকা, সুৰৰ শৰাই, এই মাহৰ গীতৰ অনুষ্ঠান আদিত তেখেতে বহুতো জনপ্ৰিয় গীত পৰিৱেশন কৰিছিল। ২০০৯ চনত ৰাজ্য চৰকাৰে বৰদলৈ ডাঙৰীয়াক শিল্পী বঁটাৰে সন্মানিত কৰিছিল।

এইগৰাকী বিশিষ্ট কণ্ঠশিল্পীৰ মৃত্যুত ৰাজ্যখনৰ সাংস্কৃতিক আৰু সংগীত জগতখনৰ এক অপূৰণীয় ক্ষতি হ'ল।

১৯। **কমল ৰাণা শৰ্মা** ঃ অসমৰ মঞ্চ, অনাতাঁৰ আৰু বোলছবি জগতৰ এজন সুদক্ষ অভিনেতা কমল ৰাণা শৰ্মাৰ যোৱা ১৫ এপ্ৰিল, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬০ বছৰ।

বিশিষ্ট সাহিত্যিক, ঘোষক, আবৃত্তিকাৰ কমল ৰাণা শৰ্মাৰ ১৯৬১ চনত জন্ম হৈছিল। তেখেতে ১৯৭৭ চনত আকাশ বাণী গুৱাহাটী কেন্দ্ৰত যোগদান কৰে আৰু পৰৱৰ্তী সময়ত ডিব্ৰুগড় আৰু নগাঁও অনাতাঁৰ কেন্দ্ৰতো সেৱা আগবঢ়ায়। বাল্যকালৰ পৰাই অভিনয়ৰ সৈতে জড়িত শৰ্মা ডাঙৰীয়াই '৩১ জুন' আৰু

'বুকুৰ মাজত জ্বলে' নামৰ কথা ছবি দুখনত অভিনয় কৰাৰ লগতে বহুকেইখন টি ভি চিৰিয়েল, টেলি ফিল্মতো অভিনয় কৰি প্ৰতিভাৰ স্বাক্ষৰ ৰাখি থৈ গৈছে।

এইজন সুদক্ষ অভিনেতা তথা আবৃত্তিকাৰৰ মৃত্যুত আমাৰ ৰাজ্যখনৰ এক অপূৰণীয় ক্ষতি হ'ল।

২০। **প্ৰবোধ চন্দ্ৰ গোস্বামী ঃ** বিশিষ্ট শিক্ষাবিদ, প্ৰবন্ধকাৰ, সাহিত্য সমালোচক প্ৰবোধ চন্দ্ৰ গোস্বামীৰ যোৱা ইং ১৭ এপ্ৰিল, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯৭ বছৰ।

১৯১৪ চনত জন্মগ্ৰহণ কৰা গোস্বামী ডাঙৰীয়াই ঢাকা বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেখেতে বিভিন্ন শিক্ষানুষ্ঠানত শিক্ষকতা কৰাৰ উপৰিও অসম কৃষি বিশ্ববিদ্যালয়, ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয়তো শিক্ষকতা কৰিছিল আৰু অৱশেষত ১৯৭৭ চনত মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। 'দ্য আছাম ট্ৰিবিউন' কাকতৰ নলবাৰীৰ সংবাদদাতা হিচাপে তেখেতে এটা দশকৰো অধিক কাল সেৱা আগবঢ়াইছিল। তেখেত উত্তৰ কামৰূপ জাৰ্নেলিষ্ট এছ'চিয়েচনৰ প্ৰতিষ্ঠাপক সভাপতিও আছিল। প্ৰয়াত গোস্বামী ডাঙৰীয়া অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্টছ ফেকাল্টী, একাডেমীক কাউন্সিল, কোৰ্ট আৰু পৰিভাষা সমিতিৰ সদস্য আদি পদো

অলংকৃত কৰিছিল। তেখেতে অসম চৰকাৰৰ পৰা সাহিত্যিক পেন্সনও লাভ কৰিছিল। 'কলাকাৰৰ কলাকৌশল আৰু সাধনা' গ্ৰন্থখনৰ বাবে অসম সাহিত্য সভাই তেখেতক পুৰস্কৃত কৰিছিল।

এইগৰাকী বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিকৰ মৃত্যুত ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল।

২১। **বিউতি ৰহমান** ঃ বিশিষ্ট লেখিকা, গল্পকাৰ তথা গীতিকাৰ বিউতি ৰহমানৰ যোৱা ইং ২৬ এপ্ৰিল, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭২ বছৰ।

১৯৩৯ চনত তিনিচুকীয়াত জন্মগ্ৰহণ কৰা ৰহমান ডাঙৰীয়ানীয়ে স্কুলীয়া দিনৰ পৰাই সাহিত্য চৰ্চা আৰম্ভ কৰিছিল। ৰাজ্য চৰকাৰৰ দ্বাৰা সাহিত্যিক পেঞ্চন লাভ কৰা ৰহমান ডাঙৰীয়ানীয়ে 'কবিতাৰ কুঁকি', 'হজৰত বৰপীৰ চাহাবৰ আলৌকিক ঘটনা', 'পবিত্ৰ হজযাত্ৰাৰ কথা', 'তোমাক মাতো তুমি নামাতা', 'মা', 'মানুহ মানুহৰ বাবে' আদি কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল। অসম সাহিত্য সভা, অসম নাট্য সন্মিলন আৰু সদৌ অসম লেখিকা সন্থাৰ আজীৱন সদস্যা ৰহমান ডাঙৰীয়ানীয়ে সাহিত্য-সংস্কৃতিৰ আগশাৰীৰ প্ৰতিটো অনুষ্ঠানৰ লগতে ওতঃপ্ৰোতভাৱে জড়িত থাকি নিষ্ঠাৰে সেৱা আগবঢ়াইছিল।

এইগৰাকী বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি তথা সমাজ সেৱিকাৰ মৃত্যুত আমাৰ ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল।

২২। **ভুৱন চন্দ্ৰ কোঁৱৰ ঃ** বিশিষ্ট শিক্ষাবিদ, ভুৱন চন্দ্ৰ কোঁৱৰৰ যোৱা ৩০ এপ্ৰিল, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে।

শিৱসাগৰ জিলাৰ ডিমৌৰ কোঁৱৰ দিহিঙীয়া গাঁৱত জন্মগ্ৰহণ কৰা প্ৰয়াত কোঁৱৰ ডাঙৰীয়াই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে আৰু পৰৱৰ্তী সময়ত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ পৰীক্ষাগাৰত কৰ্ম জীৱনৰ আৰম্ভণি কৰি পিছলৈ কানৈ মহাবিদ্যালয়ত শিক্ষকতা কৰিছিল। ইয়াৰ পাছত তেখেতে পৰ্যায়ক্ৰমে প্ৰাথমিক শিক্ষা সঞ্চালকালয় আৰু 'উচ্চ শিক্ষা সঞ্চালকালয়ৰ যুটীয়া সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (এছ-চি-ই-আৰ-টি)ৰ সঞ্চালক ৰূপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে অসম মাধ্যমিক শিক্ষা পৰিষদৰ (ছেবা) অধ্যক্ষ পদো অলংকৃত কৰিছিল। উত্তৰ পূৰ্বাঞ্চলৰ বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত তেখেতৰ অৱদান অপৰিসীম।

আজীৱন শিক্ষাৰ সৈতে নিষ্ঠা আৰু সততাৰে জড়িত এইগৰাকী কৃতী শিক্ষাবিদৰ মৃত্যুত ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল।

২৩। **বাপচন্দ্ৰ মহন্ত ঃ** বিশিষ্ট শিক্ষাবিদ, অসমৰ সাহিত্য জগতৰ পুৰোধা ব্যক্তি বাপচন্দ্ৰ মহন্তৰ যোৱা ইং ১৭ মে' ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৩ বছৰ।

ইং ১৯২৮ চনত শিৱসাগৰত জন্মগ্ৰহণ কৰা প্ৰয়াত মহন্ত ডাঙৰীয়াই ১৯৪৮ চনত যোৰহাট নৰ্মাল স্কুলৰ পৰা নৰ্মাল

প্ৰশিক্ষণ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত ১৯৫৩ চনত আগ্ৰাৰ অখিল ভাৰতীয় হিন্দী মহাবিদ্যালয়ৰ পৰা 'হিন্দী পাৰঙ্গত আৰু শিক্ষা কলা প্ৰবীণ' পৰীক্ষাত উত্তীৰ্ণ হৈ 'অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ উজনি অসমৰ মুখ্য প্ৰচাৰক ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰে। অসমীয়া ভাষাৰ লগতে হিন্দী ভাষাতো সাহিত্য চৰ্চা কৰা মহন্ত ডাঙৰীয়াক অসম চৰকাৰে সাহিত্যিক পেন্সন প্ৰদান কৰে আৰু অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিয়ে ২০০৮ চনৰ সমাৱৰ্তনত তেখেতক 'ৰাষ্ট্ৰভাষা গৌৰৱ' উপাধিৰে বিভূষিত কৰে।

এইগৰাকী বিশিষ্ট পণ্ডিতৰ মৃত্যুত ৰাজ্যখনৰ সাহিত্য তথা শিক্ষা জগতৰ এক অপূৰণীয় ক্ষতি হ'ল।

২৪। **ডঃ কবীন ফুকন** ঃ বিশিষ্ট কবি, সমালোচক, শিক্ষাবিদ ডঃ কবীন ফুকনৰ যোৱা ইং ২৪ মে', ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৫ বছৰ।

১৯৪৬ চনত যোৰহাটত জন্মগ্ৰহণ কৰা ডঃ ফুকন ডাঙৰীয়াই ইংলেণ্ডৰ লীড্‌চ বিশ্ববিদ্যালয়ৰ পৰা পি-এইচ-ডি ডিগ্ৰী লাভ কৰিছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অধ্যাপক হিচাপে যোগদান কৰি ডঃ ফুকন ডাঙৰীয়াই অৱসৰ গ্ৰহণৰ পূৰ্বে ভাৰপ্ৰাপ্ত উপাচাৰ্য হিচাপেও দায়িত্ব গ্ৰহণ কৰিছিল। তেখেতে ছাত্ৰাৱস্থাৰে পৰা অসমীয়া সাহিত্য জগতলৈ বহুতো মূল্যৱান গ্ৰন্থ ৰচনাৰে বিশেষ অৰিহণা আগবঢ়াই আহিছিল। প্ৰয়াত ফুকন ডাঙৰীয়াৰ সম্পাদনাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা 'অনুবাদ' নামেৰে এখন তিনিমহীয়া আলোচনী প্ৰকাশিত হৈছিল। তেখেতে

বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো সক্ৰিয়ভাৱে জড়িত থাকি নিষ্ঠাৰে সেৱা আগবঢ়াইছিল।

এইগৰাকী বিশিষ্ট শিক্ষাবিদৰ মৃত্যুত ৰাজ্যখনৰ শিক্ষা জগতত এক অপূৰণীয়ক্ষতি হ'ল।

২৫। **চন্দ্ৰকান্ত লাচন ঃ** মিচিং সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, মিচিং ভাষা সাহিত্য-সংস্কৃতিৰ সাধক চন্দ্ৰকান্ত লাচনৰ যোৱা ইং ৪ জুন, ২০১১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৬ বছৰ।

শিৱসাগৰ জিলাৰ দিচাংমুখ টেঙাপানী দলপা গাঁৱত জন্মগ্ৰহণ কৰা লাচন ডাঙৰীয়াই মিচিং আগম কেবাং তথা মিচিং সাহিত্য সভাৰ দুবাৰকৈ সভাপতিৰ পদত থাকি জনগোষ্ঠীটোৰ ভাষা-সংস্কৃতি-সাহিত্য তথা সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত বিশেষ নেতৃত্ব বহন কৰিছিল। তেখেতে কৰ্মজীৱনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপ-পঞ্জীয়ক হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

এইগৰাকী নিষ্ঠাবান সমাজ কৰ্মীৰ মৃত্যুত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

এতিয়া ইয়াত উল্লেখিত প্ৰয়াত ব্যক্তিসকলৰ পৱিত্ৰ স্মৃতিত আৰু তেখেতসকলৰ বিদেহী আত্মাৰ সদ্‌গতি আৰু চিৰশান্তি কামনা কৰি এক মিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যাসকলৰ প্ৰতি মই অনুৰোধ জনালো।

(The House stood in silence for one minute as a mark of respect to the departed souls)

আজিলৈ অসম বিধাসভাৰ চৰকাৰী কাৰ্যসূচী স্থগিত কৰা হ'ল। অহা কালিলৈ ৰাতিপুৱা ৯ বজাত পুনৰ অসম বিধানসভাৰ কাৰ্যসূচী আৰম্ভ কৰা হ'ব।

## ADJOURMENT

The house then stood adjourned at 12-48 P.M. till 9.00 A. M. on Tuesday, the 7th June, 2011.

Dispur
the 6th June, 2011

G. P. Das
Principal Secretary
Assam Legislative Assembly